# Unit-III (তৃতীয় গোট)

## Sentence Formation in Arabic

## {(আৰবীত বাক্যৰ গঠণ প্রনালী)-(بِنَاءُ الْجُمَلِ بِاللُّغَةِ الْعَرَبِيَّةِ)}

Dr.Abul Kalam Choudhury
Assistant Professor, Department of Arabic
Gauhati University, Guwahati-14

(A) **Usage of Pronoun** { (সৰ্বনামৰ ব্যৱহাৰ (إِسْتِعْمَالُ الضَّمَائِرِ) :}

الضَّمَائِرِ ( সৰ্বনাম) - إسم (বিশেষ্য) ৰ পৰিবৰ্তে ব্যৱহাৰ হোৱা শব্দবোৰক (الضَّمَائِرِ) সৰ্বনাম বোলে। যেনেঃ-

- هُوَ وَلَدٌ صَالِحٌ - (তেওঁ এজন ভাল ল'ৰা)
- هُوَ قَائِمٌ - (তেওঁ থিয় হৈ আছে)
- هِيَ بِنْتٌ صَالِحَةٌ - (তাই এজনী ভাল ছোৱালী)
- هِيَ ذَاهِبَةٌ إِلَى الْكُلِّيَةِ – (তাই মহাবিদ্যালয়লৈ গৈ আছে)
- أنا وَلَدٌ مُجْتَهِدٌ - (মই এজন পৰিশ্ৰমী ল'ৰা)
- أنا بِنْتٌ مُجْتَهِدَةٌ - (মই এজনী পৰিশ্ৰমী ছোৱালী)

ওপৰোক্ত উদাহৰণ কেইটাত ব্যৱহাৰ হোৱা هُوَ، هِيَ আৰু أنا শব্দকেইটা الضَّمَائِرُ বা সৰ্বনাম।

اِسمٌ (বিশেষ্য) আৰু فِعْلٌ (ক্রিয়া)ৰ দৰে الضَمائرُ (সৰ্বনাম) ও বিভিন্ন ৰূপলৈ ৰূপান্তৰিত হয়। الضَمائرُ (সৰ্বনাম) এক বচন (المُفرَدُ) , দ্বিবচন (الْمُثنى) আৰু বহুবচন (الْجَمْعُ) হিচাপে ব্যৱহাৰ হয়, তথা ই পুংলিঙ্গ (الْمُذكَّرُ) আৰু স্ত্ৰীলিঙ্গ (الْمُؤنَّثُ) হিচাপেও ব্যৱহৃত হয়। আকৌ الضَّمائرُ (সৰ্বনাম) প্ৰথম পুৰুষ (الْمُتَكَلِّمُ), দ্বিতীয় পুৰুষ (الْحاضِرُ) আৰু তৃতীয় পুৰুষ (الْغائِبُ) হিচাপেও ব্যৱহাৰ হয়। ইয়াৰোপৰি الضَّمائِرُ (সৰ্বনাম পদ) কৰ্তাবাচক সৰ্বনাম (الضمائر الفاعلية \ الضَمائِر الْمَرْفُوْعَة), কৰ্মবাচক সৰ্বনাম \ الضَمائرُ الْمَفْعُوْلية) (الضَمائِرُ الْمَنصُوْبة) আৰু সম্বন্ধবাচক সৰ্বনাম (الضمائر الْمَجْرُوْرة / الضَمائِرُ الإضافِيَّة) হিচাপেও ব্যৱহাৰ হয়।

الضمائر (সৰ্বনাম)ক মূলতে দুই ভাগত বিভক্ত কৰিব পাৰি। (১) সংলগ্ন সৰ্বনাম (الضَمائِرُ الْمُتَّصِلَةُ) আৰু (২) অসংলগ্ন সৰ্বনাম (الضَمائِرُ الْمُنْفَصِلَةُ)।

(১) **الضَمائِرُ الْمُتَّصِلَةُ (সংলগ্ন সৰ্বনাম)** - সেই সৰ্বনাম পদককোৱা হয় যিবোৰ সৰ্বনাম পদক অকলশৰীয়াকৈ ব্যৱহাৰ কৰিব নোৱাৰি, কিন্তু এইবোৰক বিশেষ্য (إسم) আৰু ক্রিয়াৰ লগত সংলগ্ন কৰিহে ব্যৱহাৰ কৰিব পাৰি। যেনেঃ- ضَرَبْتُ – ضَرَبْتَ – ضَرَبْتُمْ – ضَرَبْتُما – ضَرَبْتِ – ضَرَبْنا – ضَرَبْتُ – ضَرَبْتُما – ضَرَبْتُنَّ – غُلامي ইত্যাদি। উক্ত শব্দবোৰত ব্যৱহৃত হোৱা – تُنَّ – تُ - تَ – تِ – تُما – تُمْ আৰু ي সৰ্বনাম (الضَمائر) বোৰক إسم (বিশেষ্য) বা فِعْلٌ (ক্রিয়া)ৰ লগত সংলগ্ন কৰি ব্যৱহাৰ কৰা হৈছে।

الضَمائِرُ الْمُتَّصِلَةُ (সংলগ্ন সৰ্বনাম) বোৰক তিনিটা ভাগত বিভক্ত কৰা হয়।

(১) الضَمائِرُ الفاعِلِيَّةُ \ الضَمائِرُ الْمَرْفُوْعَةُ الْمُتَّصِلَةُ (কৰ্তাবাচক সংলগ্ন সৰ্বনাম)

(২) الضَمائِرُ الْمَفعُوْلِيَّةُ \ الضَمائِرُ الْمَنصُوْبَةُ الْمُتَّصِلَةُ (কৰ্মবাচক সংলগ্ন সৰ্বনাম) আৰু

(৩) الضَمائِرُ الإضافِيَّةُ \ الضَمائِرُ الْمَجْرُوْرَةُ الْمُتَّصِلَةُ (সম্বন্ধবাচক সংলগ্ন সৰ্বনাম)।

**(১) الضَمائِرُ الفاعِلِيَّةُ \ الضَمائِرُ الْمَرْفُوْعَةُ الْمُتَّصِلَةُ (কৰ্তাবাচক সংলগ্ন সৰ্বনাম)** - সেই সৰ্বনাম বোৰক কোৱা হয়, যিবোৰ সৰ্বনাম কোনো فِعْلٌ (ক্রিয়াৰ) কৰ্তা হিচাপে ব্যৱহাৰ । যেনেঃ

فَعَلَتْ (তাই কৰিছিল), فَعَلْنَ (তেওঁলোকে কৰিছিল), فَعَلْتَ (তুমি কৰিছিলা), فَعَلْتُمْ (তোমালোকে কৰিছিলা), فَعَلْنا (আমি কৰিছিলো), تَفْعَلُ (তুমি কৰা বা কৰিবা), أَفْعَلُ (মই কৰো বা কৰিম) আদি।

কৰ্তাবাচক সৰ্বনামৰ ৰূপ সমূহ তলত উল্লেখ কৰা হ'ল।

ماضِي (অতীত কালৰ) ৰূপ সমূহ হ'লঃ

| الشَخصُ (পুৰুষ) | الْجَمْعُ (বহুবচন) | الْمُثَنَّى (দ্বিবচন) | الْمُفرد (একবচন) | الْجِنسُ (লিঙ্গ) |
|---|---|---|---|---|
| الْغائِبُ | فَعَلوا ، ضَمِيرُ (وا) তেওঁলোক | فَعَلاَ،ضَمِيرُ (ا) তেওঁলোক | فَعَلَ،ضمير (هو مستتر) তেওঁ কৰিছিল | الْمُذكَّرُ (পুংলিঙ্গ) |

| | | | | |
|---|---|---|---|---|
| তৃতীয় পুৰুষ | সকলোৱে কৰিছিল | দুজনে কৰিছিল | | |
| | فعلنَ، ضمير(ن) তেওঁলোক সকলোৱে কৰিছিল | فعلتا، ضَمِيرُ(ا) তেওঁলোক দুজনীয়ে কৰিছিল | فَعَلَتْ، ضَمِيرُ (هي) مستتر তাই কৰিছিল | المُؤنث (স্ত্রীলিঙ্গ) |
| الحاضِر দ্বিতীয় পুৰুষ | فعلتُمْ ، ضمير(تم) তোমালোকসকলোৱেই কৰিছিলা | فعلتُما، ضمير(تُما) তোমালোক দুজনে কৰিছিলা | فعلتَ، ضمير(تَ) তুমি এজনে কৰিছিলা | المُذكَرُ (পুংলিঙ্গ) |
| | فَعَلْتُنَّ، ضمير(تُنَّ) তোমালোক সকলোৱেই কৰিছিলা | فَعَلْتُما، ضمير(تُما) তোমালোক দুজনীয়ে কৰিছিলা | فَعَلْتِ، ضمير(تِ) তুমি এজনীয়ে কৰিছিলা | المُؤنث (স্ত্রীলিঙ্গ) |
| المتكلم প্ৰথম পুৰুষ | فَعَلْنا ، ضَمِيرُ (نا) আমি দুজন বা দুজনীয়ে/আমি সকলোৱে কৰিছিলো | | فَعَلْتُ ، ضَمِيرُ (تُ) মই এজন বা এজনীয়ে কৰিছিলো | المُذكَرُ\ المُؤنَثُ পুংলিঙ্গ / স্ত্রীলিঙ্গ |

২. **الضَمائرُ المَنصُوبَةُ المُتَّصِلَةُ বা কৰ্মবাচক সৰ্বনামঃ-** সেই সৰ্বনামবোৰক কোৱা হয়, যিবোৰ সৰ্বনাম কোনো فِعْلٌ বা ক্ৰিয়াৰ কৰ্ম হিচাপে ব্যৱহাৰ কৰা হয়। যেনেঃ- ضَرَبَكَ (তোমাক মাৰিছিল), ضَرَبَنِي (মোক মাৰিছিল), ضَرَبَهُ (তেওঁক মাৰিছিল) আদি।